# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। জনজাতীয় লোকসকলৰ কল্যাণৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযান আৰম্ভ।

২। বিটিআৰত ভূমি সম্পৰ্কীয় সেৱা প্ৰদানৰ বাবে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ দ্বিতীয় পৰ্যায়ৰ মিছন বৈসুমুঠিৰ শুভাৰম্ভ।

৪। অ' এন জি চিৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছৰ নিৰ্গমন সন্দৰ্ভত অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ কাৰ্যালয়ৰ প্ৰতিবেদন দাখিল। গেছ নিৰ্গমন ৰোধৰ প্ৰচেষ্টা অব্যাহত।

৩। ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্বাধীনতা সেনানীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন।

*আৰু*

৫। ৫৯ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন খেলত নাগালেণ্ড পুলিচ ফুটবল দলৰ জয়লাভ।

ooooo

জনজাতীয় লোকসকলৰ উৎকৰ্ষ তথা কল্যাণ সাধনৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ পৰা ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযান আৰম্ভ কৰে। অহা ৩০ জুনলৈ চলিবলগীয়া এই অভিযানৰ অধীনত জনজাতীয় লোক আৰু পৰিয়ালৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে জনজাতি বসতিপ্ৰধান গাঁওসমূহলৈ গৈ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, পি এম কিষাণ, জন-ধন একাউণ্টৰ সুবিধাকে ধৰি কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যৰ ৬ হাজাৰখন জনজাতি বসতিপ্ৰধান গাঁৱক সামৰি চলিত বছৰত এই অভিযান ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰৱৰ্তী ৫ বছৰত প্ৰতিখন গাঁৱতে এই কাৰ্যসূচী চলিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অভিযান শুভাৰম্ভ কৰাৰ বাবে আয়োজিত ৰাজহুৱা সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে জনজাতীয় লোকসকলৰ ঐতিহ্য সংৰক্ষণ আৰু সাংবিধানিক সুৰক্ষা প্ৰদানৰ বাবে চৰকাৰে গুৰুত্ব সহকাৰে কাম কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

তেওঁ কয়, যে এই অভিযানৰ অধীনত সামাজিক দিশত গুৰুত্বপূৰ্ণ ব্যৱধান দূৰ কৰি আৰ্থিক স্বাৱলম্বিতা বৃদ্ধি, গুণগত শিক্ষা, স্বাস্থ্যসেৱা আৰু জীৱিকাৰ সুবিধা প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ আগেয়ে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ডিব্ৰুগড়ৰ দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন

কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো অহা বছৰৰ ছেপ্টেম্বৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পুষ্টিকৰ মধ্যাহ্ন ভোজন দিয়া হ'ব। এই আঁচনিৰ বাবে কোনো মধ্যাহ্ন ভোজনৰ আঁচনিৰ ৰান্ধনিয়ে চাকৰি হেৰুৱাব নালাগে আৰু তেওঁলোক ৰন্ধাৰ পৰিৱৰ্তে বিদ্যালয়ত খাদ্য বিতৰণৰ কামত নিয়োজিত হ'ব। অসমৰ বিভিন্ন প্ৰান্তত এনে বহু ৰান্ধনিঘৰ স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইয়াৰ লগতে খাদ্য পৰিকল্পনা বৃদ্ধি কৰি ৰান্ধনিঘৰ প্ৰকল্পটোৱে ৰাইজৰ মাজত খাদ্য যোগান আৰু আহাৰ সম্পৰ্কীয় সজাগতা বৃদ্ধিৰে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰকল্পটোত এহেজাৰ ৭০০ বৰ্গ মিটাৰৰ এটা ৰান্ধনিঘৰৰ লগতে প্ৰশাসক, জ্যেষ্ঠ প্ৰবন্ধকৰ আৱাস আৰু প্ৰশিক্ষণ ভৱনৰ দৰে সুবিধা থাকিব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা, চিকিৎসা মন্ত্ৰী প্ৰশান্ত ফুকন, পৰিবহণ মন্ত্ৰী যোগেন মহন, বিধায়ক চক্ৰধৰ গগৈকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ভূমি সম্পৰ্কীয় সেৱা প্ৰদানৰ কাম সুচল কৰি তোলাৰ বাবে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি দ্বিতীয় পৰ্যায়ৰ মিছন বৈসুমুঠি শুভাৰম্ভ কৰে। প্ৰথম পৰ্যায়ৰ এই অভিযানৰ সফলতাৰ পাছত বিটিআৰ প্ৰশাসনে দ্বিতীয় পৰ্যায়ৰ অভিযানৰ জৰিয়তে কেইবাটাও ভূমি সংক্ৰান্তিয় সেৱা আগবঢ়াবলৈ সাজু হৈছে। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ৰ এই অভিযানৰ জৰিয়তে এক লাখ ৬০ হাজাৰৰো অধিক লোকক ১৪টা সেৱা অনলাইন ব্যৱস্থাৰে আগবঢ়োৱা হ'ব। ইয়াৰ বাবে লোকসকলে bwiswmuthi.bodoland.gov.in বা sewasetu.assam.gov.in প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব। ইয়াৰ দ্বাৰা বিটিআৰৰ বাসিন্দাই ২০টা ভূমি সংক্ৰান্তিয় সেৱা লাভ কৰিব। ৰাজ্যপাল শ্ৰীআচাৰ্যই এই অভিযানৰ শুভাৰম্ভ কৰি দিয়া ভাষণত এই অভিযানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ সবকা বিকাশ অভিযানক বাস্তৱায়িত কৰাত সহায় কৰিব বুলি মন্তব্য কৰে।

**বাইট (ৰাজ্যপাল)**

আজিৰ অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়ো, বিটিআৰৰ বিধায়িনী সভাৰ অধ্যক্ষ কাটিৰাম বড়োৰ লগতে কেইবাগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছৰ নিৰ্গমন ৰোধ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। আজি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ে এই গেছ নিৰ্গমন ৰোধ সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰে। এই অনুযায়ী গেছ নিৰ্গমনৰ ফলত অঞ্চলটোত হ'ব পৰা প্ৰদূষণৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰি থকাৰ লগতে তেল আৰু প্ৰাকৃতিক গেছ নিগমক বহনক্ষম তথা যাৱতীয় ব্যৱস্থাসমূহ ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি ঘটনা সংঘটিত হোৱা স্থানৰ পৰা ১ কিলোমিটাৰ নিলগলৈ বায়ুৰ গুণাগুণ পৰীক্ষাৰ বাবে স্থায়ী যন্ত্ৰ স্থাপন কৰা হৈছে। এই বায়ু নমুনাৰ তথ্য অনুযায়ী বায়ু প্ৰদূষণৰ মাত্ৰা এতিয়াও সহনীয় সীমাৰ ভিতৰত আছে। ইপিনে ৰীগটোৰ পৰা অবিৰতভাৱে হৈ থকা নিৰ্গমন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই যদিও বিশেষজ্ঞৰ দ্বাৰা প্ৰচেষ্টা চলাই থকা হৈছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে

সমীপৰ ৭০টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰে। পৰহি ৰিগটোৰ দায়িত্ব বিশেষ সংকট নিয়ন্ত্ৰণ দলক অৰ্পণ কৰা হৈছিল আৰু সম্প্ৰতি জাংক শ্বট অপাৰেচন নামৰ বিশেষ ব্যৱস্থাৰে গেছ্ নিৰ্গমন ৰোধৰ কাম কৰি থকা হৈছে। আজি শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে নিগমৰ আঞ্চলিক সংকট ব্যৱস্থাপনা দলৰ মুৰব্বী শ্ৰীহৰিক সাক্ষাৎ কৰি ৰীগটোত সংঘটিত বিপৰ্যয় কেতিয়া ৰোধ কৰিব পৰা যাব সেই বিষয়ে এতিয়াও নিশ্চিত হ'ব পৰা নাই বুলি উল্লেখ কৰে। এই ৰীগত আকস্মিকভাৱে আৱিষ্কাৰ হোৱা বৃহৎ পৰিমাণৰ গেছ্ নিয়ন্ত্ৰিত ৰূপত সঠিকভাৱে নিষ্কাষণ কৰিব পাৰিলে ই অসমৰ বাবে সম্পদ হ'ব বুলি বিষয়াসকলে উল্লেখ কৰা বুলি শ্ৰীগগৈয়ে সাংবাদিকক জানিবলৈ দিয়ে। এই ঘটনা সন্দৰ্ভত এয়া আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলী––

**ভইচ (মুজাহিদ আলী)**

আকাশবাণী গুৱাহাটীয়ে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত তৈল প্ৰতিষ্ঠানৰ পৰা গেছ্ নিৰ্গমনজনিত দুৰ্ঘটনা সন্দৰ্ভত তথ্য চিত্ৰ নিৰ্মাতা জয়চেং জয় দহোতিয়া আৰু আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীৰ প্ৰতিবেদনৰ আধাৰত যুগুতোৱা অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা, পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

স্বাধীনতা সেনানী ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক গ্ৰেপ্তাৰ কৰি মৃত্যু দণ্ডৰ হুকুম দিয়া হৈছিল। ১৯৪৩ চনৰ আজিৰ তাৰিখতে কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানী গৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ গৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে দেশ প্ৰেমৰ অনন্য নিদৰ্শন দাঙি ধৰি ছহিদ হোৱা এইগৰাকী বীৰ সেনানীৰ মাতৃভূমিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাক ৰাজ্য তথা দেশবাসীয়ে সদায় সোঁৱৰণ কৰিব বুলি প্ৰকাশ কৰে।

গোলাঘাটত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত আৰু জিলা পুথিভঁৰালৰ প্ৰাংগণত থকা ছহিদগৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ সৰুপথাৰ ৰাজহুৱা ভৱন চৌহদতো ছহিদগৰাকীৰ ৮২ সংখ্যক স্মৃতি দিৱস পালন কৰা হয়। টাই আহোম যুৱ পৰিষদ, অসম চমুকৈ টাইপাৰ গোলাঘাট জিলা সমিতিয়ে প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা ছহিদ কুশল কোঁৱৰ বঁটা ছহিদগৰাকীৰ স্মৃতি দিৱস উপলক্ষে আজি পদ্মশ্ৰী সন্মানেৰে সন্মানিত ড০ যোগেন্দ্ৰ নাথ ফুকনক প্ৰদান কৰে। গোলাঘাট এমেচাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত মন্ত্ৰী অতুল বৰাৰ উপস্থিতিত এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত সাহিত্যিক অজিত বৰুৱাও উপস্থিত থাকে। অনুষ্ঠানত **কুশল** নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়।

ডিব্ৰুগড়তো আজি ছহিদ কুশল কোঁৱৰৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই উপলক্ষে ছহিদ কুশল কোঁৱৰ স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত ডিব্ৰুগড়ৰ চৌকিডিঙি চাৰিআলিত থকা ছহিদগৰাকীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। এই অনুষ্ঠানত ডিব্ৰুগড় পৌৰনিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি ৪২ৰ ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ নেহৰু পাৰ্কত আয়োজিত অনুষ্ঠানত বন আৰু

পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ছহিদৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অনুষ্ঠানৰ অংশ হিচাপে আয়োজিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত কস্তুৰবা সেৱাশ্ৰমৰ সেৱিকাসকলে গীতা আৰু উপনিষদ, হাফিজ মৌলানা মুস্তাকিং নাজীৰিয়ে কোৰাণ পাঠ, ভগত সিঙে গ্ৰন্থছাহিব, ক্ষমানন্দ ভিক্ষুৱে ত্ৰিপিটক আৰু দ্বীপেন বড়োৱে বাইবেল পাঠ কৰে। আজিৰ অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

কোকৰাঝাৰত আজি প্ৰাক্তন মন্ত্ৰী তথা জনজাতীয় নেতা ৰূপনাথ ব্ৰহ্মৰ ১২৪ সংখ্যক জয়ন্তী পালন কৰা হয়। আধুনিক কোকৰাঝাৰৰ খনিকৰস্বৰূপ প্ৰয়াত ব্ৰহ্ম বড়ো জনগোষ্ঠীৰ প্ৰথমজন আইনৰ স্নাতক, প্ৰথমগৰাকী বিধানসভাৰ সদস্য, অসম মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হোৱা বড়ো জনগোষ্ঠীৰ প্ৰথম মন্ত্ৰী আছিল। জয়ন্তী উপলক্ষে কোকৰাঝাৰ চহৰৰ প্ৰগতি ভৱনত নেতাগৰাকীৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে তেওঁৰ জন্মস্থান ওৱাবাৰীত এটা স্মৃতিসৌধ মুকলি কৰা হয়। বি টি আৰ প্ৰধান প্ৰমোদ বড়ো আৰু বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰীয়ে প্ৰতিমূৰ্তি আৰু স্মৃতিসৌধ মুকলি কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰাক্তন নেতাগৰাকীৰ জীৱন দৰ্শন আৰু শিক্ষা, ৰাজনীতি, সাহিত্য তথা সাংস্কৃতিক ক্ষেত্ৰখনলৈ তেওঁৰ অৱদানক সামৰি এখন আলোচনাচক্ৰও অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত বহুকেইজন জ্যেষ্ঠ নাগৰিক, শিক্ষা আৰু সাংস্কৃতিক ক্ষেত্ৰৰ গণ্য-মান্য ব্যক্তিয়ে অংশ লয়।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাইলৈ পুৱা ১১ বজাত কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি ফলাফলসমূহ পি ডি এফ আকাৰত উপলব্ধ হ'ব। পৰিক্ষাৰ্থীসকলে পৰিষদৰ ৱেবছাইট sebaonline.orgত ফলাফল লাভ কৰাৰ লগতে মাৰ্কশ্বিট ডাউনল'ড কৰিব পাৰিব।

০০০০০

ধুবুৰী চহৰত সন্দেহজনক দেৱাল লিখন সন্দৰ্ভত আৰক্ষীয়ে এজন লোকক আটক কৰিছে। লোকজন ধুবুৰীৰ সমীপৱৰ্তী ভাৰত-বাংলাদেশ সীমান্তৰ গাছপালাৰ মহম্মদ নুৰুল হক বুলি জানিব পৰা গৈছে। ধৃত লোকজনক আৰক্ষীয়ে সোধা-পোছা চলাই আছে। উল্লেখযোগ্য যে যোৱানিশা ধুবুৰী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখৰ দেৱালত সন্দেহজনক লেখা প্ৰত্যক্ষ কৰাৰ লগতে ৬ জুনৰ নিশাও ধুবুৰী পৌৰসভাৰ তিনিখন পকীবেৰত এনেধৰণৰ লেখা প্ৰত্যক্ষ কৰা হৈছিল। অৱশ্যে ধুবুৰীৰ আৰক্ষীৰ সূত্ৰই এই বিষয়ে কোনো কথা প্ৰকাশ কৰা নাই।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰা উপলক্ষে আজি বাক্সা জিলাৰ মুছলপুৰত আয়োজিত এখন সংবাদ মেলত অংশ লৈ মন্ত্ৰী ৰণজিত কুমাৰ দাসে কয় যে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দৰিদ্ৰসকলৰ কল্যাণৰ হকে কাম কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি কয় যে দুখীয়াক বাসস্থান প্ৰদান কৰাৰ লগতে এইখন চৰকাৰে বিদ্যুৎ, শৌচালয়, গেছ চিলিণ্ডাৰ, খাদ্য আদি সকলো প্ৰয়োজনীয় সামগ্ৰী আগবঢ়াবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে দেশৰ কেইবা কোটিও লোকক বেংক একাউণ্ট খুলি দিয়াৰ কথাও উল্লেখ কৰে। সংবাদ মেলত বি টি আৰৰ কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতাই অংশগ্ৰহণ কৰে।

০০০০০

স্বচ্ছ ভাৰত নগৰীয়া অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অংশ হিচাপে আজি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই তেজপুৰ পৌৰসভাৰ অধীনত স্থাপন কৰা ১০ কে এল ডি ক্ষমতাসম্পন্ন মল-বোকা পৰিশোধন প্ৰকল্পটো উদ্বোধন কৰে। মৰাভৰলী শ্মশানৰ সমীপত আয়োজিত উদ্বোধনী কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে কয়, যে এই বৈজ্ঞানীক প্ৰকল্পই মল-বোকা আদিৰ নিৰাপদ পৰিশোধন নিশ্চিত কৰি জনস্বাস্থ্য ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মন্ত্ৰীগৰাকীয়ে এই প্ৰকল্পৰ সৈতে সংলগ্ন গোটা আৱৰ্জনা ব্যৱস্থাপনা প্ৰকল্পটো পৰিদৰ্শন কৰে।

০০০০০

৫৯ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন খেলত আজি নাগালেণ্ড পুলিচ ফুটবল দলে জয়লাভ কৰিছে। যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত নাগালেণ্ড দলটোৱে যোৰহাট ভিক্ট'ৰিয়াছ ক্লাৱক ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০

সমাপ্ত